# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2025
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
Headlines
0000

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত ২০২২-২৩ বৰ্ষৰ বাবে মাই ভাৰত - নেচনেল চাৰ্ভিছ্ স্কীম বঁটাসমূহ প্ৰদান কৰে।

২। নিৰ্বাচন আয়োগে আজি বিয়লি ৪ বজাত বিহাৰ বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ নতুন দিল্লীত দেশৰ প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনত সুযোগ সম্পৰ্কীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলন উদ্বোধন কৰিব।

৪। হিমালয়ৰ উৎস অংশত হোৱা প্ৰৱল বৰষুণৰ ফলত উত্তৰ বংগ আৰু ছিকিমৰ প্ৰায়বোৰ অঞ্চল বানৰ কবলত পৰিছে।

*আৰু*

৫। আই চি চিৰ এদিনীয়া মহিলা বিশ্বকাপ প্ৰতিযোগিতাত আজি নিউজিলেণ্ড আৰু দক্ষিণ আফ্ৰিকা মুখামুখি হ'ব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত ২০২২-২৩ বৰ্ষৰ বাবে মাই ভাৰত - নেচনেল চাৰ্ভিছ্ স্কীম, এন এছ্ এছ্ বঁটা প্ৰদান কৰে। তেওঁ এন এছ্ এছ্ গোটসমূহ আৰু তেওঁলোকৰ বিষয়া তথা স্বেচ্ছাসেৱকসকলক ৪০টা বঁটা প্ৰদান কৰে। এন এছ্ এছ্ স্বেচ্ছাসেৱক গোটসমূহ আৰু কাৰ্যসূচী বিষয়াসকলৰ সমূহীয়া সেৱা আৰু ৰাষ্ট্ৰ নিৰ্মাণত অসাধাৰণ বৰঙণিক স্বীকৃতি দিয়াৰ বাবে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে প্ৰতি বছৰে এন এছ্ এছ্ বঁটা প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াও উপস্থিত থাকে।

০০০০০০

নিৰ্বাচন আয়োগে আজি নতুন দিল্লীত বিয়লি ৪ বজাত বিহাৰ বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্তদ্বয় সুখবীৰ সিং সান্ধু আৰু বিবেক যোশীয়ে সংবাদ মাধ্যমক সম্বোধন কৰিব। নিৰ্বাচনৰ সূচী ঘোষণাৰ লগে লগে ৰাজ্যখনত নিৰ্বাচনী আচৰণ বিধি বলবৎ হ'ব। অহা ২২ নৱেম্বৰত ২৪৩জনীয়া বিহাৰ বিধানসভাৰ কাৰ্যকাল উকলিব। উল্লেখযোগ্য যে কালি নিৰ্বাচন আয়োগে বিহাৰত নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা সমাপ্ত কৰিছিল।

০০০০০০

বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি মুখ্যমন্ত্ৰী মহিলা ৰোজগাৰ যোজনাৰ অধীনত প্ৰত্যক্ষ লাভ হস্তান্তৰযোগে ২১ লাখ মহিলা হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ প্ৰদান কৰে। ৰাজ্যখনত বিধানসভা

নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত বলবৎ হ'বলগীয়া নিৰ্বাচনী আচৰণ বিধি ৰূপায়ণৰ পূৰ্বে এই ধনৰাশি প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে মহিলা হিতাধিকাৰীসকলৰ বেংক একাউণ্টলৈ সৰ্বমুঠ ২ হাজাৰ ১০০ কোটি টকা প্ৰদান কৰে। এয়া হৈছে এই আঁচনিৰ অধীনত হিতাধিকাৰীসকললৈ ধন হস্তান্তৰ কৰাৰ তৃতীয় পৰ্যায়। যোৱা ২৬ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ পৰা ভিডিঅ' কনফাৰেন্সিংযোগে এই আঁচনি মুকলি কৰিছিল। বিহাৰত ১ দশমিক ১ কোটিতকৈও অধিক মহিলা হিতাধিকাৰীক এই আঁচনিৰ বাবে নিৰ্বাচন কৰা হৈছে। গ্ৰামোন্নয়ন বিভাগে এই আঁচনি ৰূপায়ণ কৰে।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ নতুন দিল্লীত দেশৰ প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনত সুযোগ সম্পৰ্কীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলন উদ্বোধন কৰিব। এই সন্মিলনে প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰসমূহৰ মাজত সমন্বয় শক্তিশালী কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। আঞ্চলিক ঔদ্যোগিক নীতি আৰু আন্তঃগাঁথনি উন্নয়নক প্ৰতিৰক্ষা উৎপাদনত আত্মনিৰ্ভৰশীলতা অৰ্জনৰ ৰাষ্ট্ৰীয় লক্ষ্যৰ সৈতে একেলগ কৰাৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হৈছে।

এই অনুষ্ঠানত শ্ৰীসিঙে প্ৰতিৰক্ষাৰ আমদানি আৰু ৰপ্তানিৰ বাবে নতুন পৰ্টেল মুকলি কৰিব। এই সন্মিলনৰ লক্ষ্য হৈছে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উদ্যোগ বিভাগৰ উচ্চপদস্থ বিষয়াসকলক একত্ৰিত কৰি ভাৰতৰ প্ৰতিৰক্ষা উৎপাদন আগুৱাই নিয়াত তেওঁলোকৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে আলোচনা কৰা। ইয়াৰ উপৰিও প্ৰতিৰক্ষা ৰপ্তানি বৃদ্ধি আৰু এই খণ্ডৰ বিনিয়োগৰ প্ৰসাৰৰ বাবে চলি থকা ৰাষ্ট্ৰীয় প্ৰচেষ্টাসমূহৰ ওপৰত আলোকপাত কৰা হ'ব।

০০০০০০

ছত্তিশগড়ৰ নক্সাল প্ৰভাৱিত বাস্তাৰ খণ্ডত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে শেহতীয়াকৈ কেইটামান দিনত গাঁওবাসীৰ মাজত প্ৰায় ১০ হাজাৰ ৰেডিঅ' ছেট বিতৰণ কৰিছে। আমাৰ ৰায়পুৰৰ সংবাদদাতাই জনাইছে যে বাস্তাৰ খণ্ডৰ সাতোখন জিলাতে এই ৰেডিঅ' ছেটসমূহ বিতৰণ কৰা হৈছে। ঘন অৰণ্য আৰু প্ৰত্যাহ্বানমূলক ভূখণ্ডৰ অঞ্চলটোত ৰেডিঅ'ই যোগাযোগৰ ফলপ্ৰসূ মাধ্যম হিচাপে কাম কৰে। উল্লেখযোগ্য যে, বাস্তাৰ খণ্ডত শ্ৰোতাৰ বাবে জনজাতীয় উপ-ভাষা গোষ্ঠি আৰু হাল্‌বিত বাতৰি আৰু সাম্প্ৰতিক ঘটনাপ্ৰৱাহৰ অনুষ্ঠান প্ৰচাৰ কৰা আকাশবাণীৰ বাতৰি হৈছে একমাত্ৰ বাতৰি সম্প্ৰচাৰৰ মাধ্যম।

০০০০০০

পৰিবেশ কৰ্মী, বিজ্ঞানী সোনম ৱাংচুকৰ পত্নী গীতাঞ্জলি জে আংমোৱে দাখিল কৰা এখন আবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশ লাডাখ প্ৰশাসনলৈ জাননী জাৰি কৰিছে। আংমোৱে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ৱাংচুকৰ গ্ৰেপ্তাৰৰ প্ৰত্যাহ্বান জনোৱাৰ লগতে তেওঁৰ তাৎক্ষণিক মুক্তিৰ দাবী জনাইছে। এই সন্দৰ্ভত ১৪ অক্টোবৰত পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব। লাডাখ অঞ্চলৰ স্বায়ত্ত শাসনৰ দাবীত চলা আন্দোলনে যোৱা মাহত হিংসাত্মক ৰূপ লোৱাৰ পাছতেই ৱাংচুকক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছিল।

০০০০০০

হিমালয়ৰ উৎস অংশত হোৱা প্ৰবল বৰষুণৰ ফলত উত্তৰ বংগ আৰু ছিকিমৰ প্ৰায়বোৰ নদী ফেনে-ফোটোকাৰে বাঢ়ি অহাৰ ফলত সমগ্ৰ অঞ্চলটো অভূতপূৰ্ব বানপানীৰ কবলত পৰিছে। তিস্তা আৰু তৰ্ষা নৈৰ জলপৃষ্ঠ বিপদসীমাৰ ভালেখিনি ওপৰেৰে বৈ থকাৰ ফলত বিস্তীৰ্ণ অঞ্চল প্লাৱিত হোৱাৰ লগতে পথ আৰু ৰে'ল যোগাযোগ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ছিকিম আৰু দাৰ্জিলিঙত প্ৰবল বৰষুণ আৰু ভূমিস্খলনৰ ফলত এতিয়ালৈকে ২৩জন লোকে প্ৰাণ হেৰুৱাইছে। উত্তৰ বংগৰ মিৰিকত উদ্ধাৰ অভিযানত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, সেনা বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু আৰক্ষী বাহিনীৰ লোকক নিয়োজিত কৰা হৈছে। অসমকে ধৰি বিভিন্ন অঞ্চলৰ পৰা মিৰিকলৈ যোৱা পৰ্যটকসকলক উদ্ধাৰ কৰাৰ বাবে দিনে-নিশাই অভিযান চলাই থকা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে ভূমিস্খলনৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত শিলিগুৰি আৰু দাৰ্জিলিঙৰ মাজৰ ১১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ আজি পুৱাৰ ভাগত আংশিকভাৱে মুকলি কৰা হৈছে। পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি উচ্চপদস্থ বিষয়াসকলৰ সৈতে দাৰ্জিলিং অঞ্চল ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ ল'ব। ৰাজ্যখনৰ ৰাজ্যপাল চি বি আনন্দ বোসেও দাৰ্জিলিং ভ্ৰমণ কৰাৰ সম্ভাৱনা আছে। উত্তৰ বংগত হোৱা প্ৰবল বানপানীৰ ফলত উত্তৰ-পূব সীমান্ত ৰে'লৰেই ৯খন ৰে'লৰ যাত্ৰা বাতিল কৰিছে। এই ৰে'লগাড়ীকেইখনৰ ভিতৰত আনন্দ বিহাৰ আৰু কামাখ্যাৰ মাজত চলাচল কৰা ১৫৬২২ নম্বৰৰ সাপ্তাহিক এক্সপ্ৰেছ ৰে'লগাড়ী আৰু তিনিচুকীয়া-অমৃতসৰৰ মাজত চলাচল কৰা ১৫৯৩৪ এক্সপ্ৰেছ, ১৯৩০৬ কামাখ্যা-ড০ আম্বেদকাৰ নগৰ এক্সপ্ৰেছ, ১৫৭০৩ নিউ জলপাইগুৰি-বঙাইগাঁও এক্সপ্ৰেছ আৰু ৭৫৭২৫ শিলিগুৰি-বঙাইগাঁও এক্সপ্ৰেছ কেইখনো আছে। আনহাতে, উত্তৰ পূৰ্বাঞ্চলৰ পৰা দেশৰ বাকী অংশলৈ চলাচল কৰা কেইবাখনো দূৰণিবটীয়া ৰে'লগাড়ীৰ যাত্ৰাপথৰ সালসলনি ঘটোৱা হৈছে।

oooooo

শ্ৰীলংকাৰ পৰা অহা জলদস্যুৱে কোডিকাৰাইৰ সমীপত এঘাৰজন মাছমৰীয়াক আক্ৰমণ কৰে। মাছমৰীয়া কেইজনক চোকা অস্ত্ৰৰে আক্ৰমণ কৰি ধৰি অনা মাছ কাঢ়ি লৈ যোৱাৰ উপৰি জিপিএছ মেচিন, মাছ ধৰা জাল, ৱাকি টকি, সোণৰ চেইন আৰু ফাইবাৰ নাৱৰ ইঞ্জিন কাঢ়ি লৈ যায় । আহত মাছমৰীয়া কেইজনক পাছত চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

oooooo

আই চি চিৰ এদিনীয়া মহিলা বিশ্বকাপ প্ৰতিযোগিতাৰ আজি বিয়লি ৩ বজাত ইণ্ডোৰৰ হলকাৰ ষ্টেডিয়ামত হ'বলগীয়া খেলখনত নিউজিলেণ্ড আৰু দক্ষিণ আফ্ৰিকা মুখামুখি হ'ব।

ইফালে, কালি কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এদিনীয়া ক্ৰিকেট বিশ্বকাপৰ এখন খেলত ভাৰতে পাকিস্তানক ৮৮ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৪৭ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পাকিস্তানে ৪৩ অভাৰতে আটাইকেইটা হেৰুৱাই কেৱল ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ হৰলীন দেউলে সৰ্বাধিক ৪৬ আৰু ৰিছা ঘোষে ৩৫ ৰান কৰে। পাকিস্তানৰ ডায়েনা বেগে ৪টা উইকেট দখল কৰে। ইপিনে পাকিস্তানৰ ছিদ্ৰা আমিনে ৮১ আৰু নাটালিয়া পাৰভেজে ৩৩ ৰানৰ বৰঙণি আগবঢ়াই যদিও দলটোৰ আন আন খেলুৱৈসকল উন্নত প্ৰদৰ্শন কৰাত ব্যৰ্থ হয়। ভাৰতৰ হৈ ক্ৰান্তি গৌৰ আৰু দিপ্তী শৰ্মাই ৩টাকৈ উইকেট দখল কৰাৰ বিপৰীতে স্নেহ ৰাণাই দুটা উইকেট লাভ কৰে।

oooooo

নতুন দিল্লীত অনুষ্ঠিত বিশ্ব পেৰা এথলেটিকছ্‌ চেম্পিয়নশ্বিপত ভাৰতে ৬টা সোণ, ১০টা ৰূপ আৰু ৬টা ব্ৰঞ্জসহ মুঠ ২২টা পদকেৰে নিজৰ অভিযান সামৰে। জৱাহৰলাল ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত কালি ভাৰতৰ ৭ গৰাকী খেলুৱৈ প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। ২০০ মিটাৰ টি-টুৱেলভত সীমৰণ শৰ্মাই ৰূপৰ পদক আৰু ১০০ মিটাৰ টি-থাৰ্টি ফাইভত প্ৰীতি পলে ৰূপৰ পদক জয় কৰে। পেৰালিম্পিকৰ চেম্পিয়ন নৱদীপে জেভলিন থ্ৰ'ত ৰূপৰ পদক কৰাৰ বিপৰীতে ২০০ মিটাৰ টি-ফৰটি ফৰত সন্দীপে ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০০

গুৱাহাটীৰ আমিনগাঁৱত আজিৰ পৰা বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব। ১৭ বছৰৰ পাছত দেশত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত চীন, জাপান, ছিংগাপুৰ, ফিলিপিন্স, ইণ্ডোনেছিয়া, মালয়েছিয়া, ফ্ৰান্স, নেডাৰলেণ্ডছ, অষ্ট্ৰেলিয়া, কানাডা আৰু ডেনমাৰ্ককে ধৰি ৪৩ খন দেশৰ ৪৫২ গৰাকী খেলুৱৈয়ে অংশ ল'ব।

০০০০০০

**সমাপ্ত**